# আৰ্থ-সামাজিক দিশত টিপ্‌লাই

গোৱালপাৰা জিলাৰ পূব প্ৰান্তত ৰংজুলি ৰাজহ চক্ৰ আৰু ৰংজুলি উন্নয়ন খণ্ডৰ অধীনত ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ ১২ কি. মি. উত্তৰে অৱস্থিত এখন গাঁও। বাহ্যিক আধুনিকতাৰ পৰশ নোপোৱা তথাকথিত আধুনিক আৰ্থ-সামাজিক বুনিয়াদৰ পৰা বাঞ্চিত অথচ পূৰ্ণ স্বাক্ষৰ জনবহুল গাঁওখনত প্ৰবাদ মতে স্বাধীনতাৰ বহু পূৰ্বেই টিপ চহীৰ প্ৰচলন নাছিল বাবেই ঠাইখনৰ নাম টিপ নাইৰ পৰা টিপলাই নামকৰণ কৰা হয়। আন এক প্ৰবাদ মতে টিপ সংস্কৃত শব্দৰ অৰ্থ পানী আৰু লাই শব্দৰ অৰ্থ হ'ল আগুৰি থকা। ঠাইখন প্ৰকৃততে চাৰিওপিনে পানীৰে আগুৰি থকা হেতুকে এই নাম হোৱা বুলি অধিক সংখ্যকে বিশ্বাস কৰে। চাৰিখন প্ৰাথমিক বিদ্যালয়, দুখন মজলীয়া আৰু মধ্য ইংৰাজী বিদ্যালয় আৰু এখন উচচতৰ মাধ্যমিক বিদ্যালয়কলৈ সাম্প্ৰতিক লেখতলবলগীয়া পৰিচয়ৰ প্ৰক্ৰিয়া স্বাধীনতাৰ বহু পূৰ্বেই এই গাঁৱত আৰম্ভ হয়। ১৯২৭ চনৰ পৰা টিপ্‌লাই মজলীয়া বিদ্যালয় স্থাপনেৰে আৰ্থিকভাৱে একেবাৰে পিছপৰা বৰ্তমানৰ টিপ্‌লাই ৰাজহ গাঁওখনৰ এই বিকাশৰ প্ৰক্ৰিয়া আৰম্ভ হয়। লেখত লবলগীয়া যে সম্প্ৰতি এই গাঁৱত মহাবিদ্যালয় পৰ্যন্ত পতাৰ বু বা শুনা যায়। প্ৰকৃতাৰ্থত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা যথেষ্ট দূৰত যাতায়াতৰ সুচল ব্যৱস্থা নথকা, আৰ্থিকভাৱে পিছপৰা টিপ্‌লাই বাসী ৰাইজ কিন্তু যথেষ্ট বিদ্যানুৰাগী। গোৱালপাৰা জিলাৰ আন বহু ভিতৰুৱা ঠাইলৈ চকু ফুৰালে কথাটো স্পষ্ট হৈ পৰে। মানৰ আক্ৰমণৰ সময়ৰ পৰাই ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ হাজো, দৌলাশাল অঞ্চলৰ পৰা অহা বৰ্তমান টিপ্‌লাই ৰ নাথ সম্প্ৰদায় (অধিক) কৈৱৰ্ত সম্প্ৰদায়, হীৰা সম্প্ৰদায় কিছু সংখ্যক ব্ৰাহ্মণ সম্প্ৰদায়ৰ

লোকৰ বসতি এই অঞ্চলত আৰম্ভ হ'ব ধৰে বুলি কিম্বদন্তিয়ে কয়। পৰবৰ্তী কালত কিছু সংখ্যক হৰিজন লোকো ইয়াত বসতি স্থাপন কৰে। টিপ্‌লাই ৰ চাৰিওফালে হোৱা বসতি সমূহ যেনে গৰুছটকা (পূবে), দীঘলীবৰী, বৰপথাৰ (পশ্চিমে), নাইতাৰ পলাশটাৰী (উত্তৰে), গাঁওসমূহত সৰহসংখ্যক মুছলমান মানুহে সমান্তৰাল ভাৱে বসতি স্থাপন কৰে। অবিভাজিত গোৱালপাৰা জিলাৰ লক্ষীপুৰ, চুনাৰী, দক্ষিণ শালমাৰা আদি গোৱালপাৰাৰ পশ্চিমাঞ্চলৰ পৰা এইসকল লোকৰ আগমণ ঘটে। টিপ্‌লাই ৰ উত্তৰ দিশত ব্ৰহ্মপুত্ৰৰ চৰ চাপৰিৰ পৰা লোক আহি পৰবৰ্তী পৰ্য্যায়ত বসতি আৰম্ভ কৰে। উল্লেখযোগ্য যে এই গাঁওখনৰ দক্ষিণে থকা চিতলমাৰী, বনগাঁও আৰু তাৰ আশে পাশে থকা অঞ্চলসমূহত অতীজত প্ৰধানকৈ গাৰো সম্প্ৰদায়ৰ লোকৰ বসতি আছিল যদিও কিছু ৰাভা আৰু বড়ো জনগোষ্ঠীৰ লোকো বসবাস কৰিছিল। এটা প্ৰবাদ মতে টিপ্‌লাইৰ নাতিদূৰতে বৰ্তমানৰ আৰাখা আৰু বাগান বাতাপাৰা গাঁওসমূহৰ বসতিহীন ঠাইত ইংৰাজ বগাচাহাবৰ তত্বাৱধানত চাহ খেতিৰো প্ৰক্ৰিয়া আৰম্ভ হৈছিল। বিল (নাইতাৰা-চৌতাৰা), পাহাৰ (চিতলমাৰী, গণেশ), ডুবি, জুৰি (কৰ নৈ) আদিৰে আৱৰা আওহতীয়া ঠাই হেতু ইয়াৰ পৰবৰ্তী প্ৰতিফলন টিপ্‌লাই ৰ পশ্চিমাঞ্চল শিমলীতোলাত হোৱা দেখা যায়। এইখিনিতে উল্লেখ কৰা উচিত যে, এইবোৰ বিষয়ত ঐতিহাসিক গৱেষণাৰ স্থল আছে। তদুপৰি এই অঞ্চলৰ সমীপত ৩০/৩৫ বছৰ আগলৈ প্ৰত্যক্ষ কৰা দুটা গড়খাৱৈ পাহাৰৰ পৰা বিললৈ আৰু এতিয়াও প্ৰত্যক্ষ কৰা চিতলমাছ সদৃশ শিলত অঁকা ছবি, গণেশৰ মূৰ্তি আদি গৱেষণামূলক বিষয়।

প্ৰায় ৩৯৮৫ জনসংখ্যাৰে টিপ্‌লাই ৰাজহ গাঁওখনৰ অন্তৰ্গত সকলো গাঁৱৰ স্বায়ত্ব প্ৰশাসনিক, শৈক্ষিক, সাংস্কৃতিক, ব্যৱসায়িক,যোগাযোগ, যাতায়াত আদিৰ প্ৰাণকেন্দ্ৰ স্বৰূপ হৈ পৰে। স্বাধীনতাৰ পূৰ্বে স্থাপিত মজলীয়া বিদ্যালয়, পৰৱৰ্তী সময়ত স্থাপন হোৱা সাপ্তাহিক বজাৰ, দৈনিক বজাৰ, ডাকঘৰ, গোৱালপাৰালৈ চলা বজাৰ বাছৰ সুবিধা, পঞ্চায়ত কাৰ্যালয় আদিৰ বাবেই চাৰিওকাষে কমেও আঠ কি. মি. ব্যাসাৰ্ধ গাঁওসমূহৰ প্ৰাণকেন্দ্ৰ হৈ পৰে টিপ্‌লাই।

মধ্যবিত্ত আৰু নিম্ন মধ্যবিত্তৰ টিপ্‌লাই বাসী ৰাইজৰ জীৱন ধাৰণৰ

পদ্ধতি অসমৰ আৰ্থিক ব্যৱস্থাৰ পৰা পৃথক নহয় যদিও কিছু বিচিত্ৰতা নথকা নহয়। কৃষি প্ৰধান ৰাজ্যৰ অংগ যদিও এই গাঁওবাসীৰ কৃষি জমিৰ পৰিমাণ নিচেই তাকৰ। গাঁওখনৰ চাৰিওকাষে দ ঠাই হোৱা হেতু খেতি উপযোগী পথাৰ নাই বুলি ক'ব পাৰি। বানে গৰকা টিপ্লাইৰ দক্ষিণ পূবে আৰু দক্ষিণে কিছু অঞ্চলত প্ৰধানকৈ শালি খেতি হয় যদিও সম্পূৰ্ণভাৱে বানপানীৰ ওপৰত নিৰ্ভৰশীল। টিপ্লাই গাঁৱৰ পুব পিনে নাইতাৰা-চৌতাৰা বিলৰ এটা অংশত বৰো ধানৰ খেতি হয় যদিও বিলৰ তল হোৱা বাবে এই খেতি নিশ্চয়তাহীন। কৃষি মাটিৰ উৎস কম হোৱা হেতু লোকসকল পূৰ্বৰ পৰাই শিক্ষানুৰাগী আৰু সেইবাবেই হয়তো গোৱালপাৰা জিলাৰ আন বহু ঠাইৰ তুলনাত এই গাঁৱত পেছাদাৰী শিক্ষকৰ সংখ্যা যথেষ্ট বেছি। অৱশ্যে আন আন বিভাগতো যথেষ্ট সংখ্যক চাকৰিয়ালৰ অৱস্থিতি চকুত পৰে। কম সম্ভাৱনাপূৰ্ণ কৃষি জমিত অতি সম্প্ৰতি অগভীৰ নলীনাদ পদ্ধতিৰে আগতীয়া বৰো খেতিৰ প্ৰচলন ক্ৰমে বাঢ়ি আছে যদিও আশানুৰূপ নহয়। টিপ্লাইৰ আন এটা অংশৰ অনুসূচিত জাতিৰ লোকৰ প্ৰধান জীৱিকাৰ উপায় নাইতাৰা-চৌতাৰা বিলৰ প্ৰাকৃতিক মৎস্য চিকাৰ আৰু তাক কেন্দ্ৰ কৰি মাছৰ ব্যৱসায়। মুঠ জনসংখ্যাৰ প্ৰায় এক তৃতীয়াংশ এই জীৱিকাৰ লগত জড়িত যদিও কিছুসংখ্যক কৃষি, চৰকাৰী চাকৰি আৰু আন ব্যৱসায়ৰ লগত জড়িত। তথাপিও কিছুসংখ্যক কৃষি, চৰকাৰী চাকৰি আৰু আন ব্যৱসায়ৰ লগত জড়িত।

আৰ্থিক দিশত অনুষ্টুপীয়া ভাৱে লোকসকল স্বাৱলম্বী যদিও সীমিত প্ৰাকৃতিক সম্পদ সম্ভাৱনীয়তা আৰু আৰ্থ-সামাজিক বুনিয়াদৰ অভাৱেই ঠাইখনক আৰ্থিকভাৱে অনগ্ৰসৰ কৰি ৰাখিছে বুলি কব পাৰি। আৰ্থ-সামাজিক বুনিয়াদ বুলিলে যিবোৰ সা-সুবিধা বুজা যায় সেইবোৰৰ বাৰুকৈয়ে অভাৱ এই গাঁওখনত আৰু ইয়াৰ আশে-পাশে থকা গাঁওবোৰত দেখিবলৈ পোৱা যায়। যাতায়াতৰ সুবিধা বুলিলে কেৱল কেঁচা ৰাস্তাৰে ওচৰৰ গাঁওবোৰ আৰু জিলাৰ সদৰ আৰু উন্নয়নখণ্ডত যাবলৈ ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথলৈ সংযোজিত পকী ৰাস্তা। এইখন গাঁওৰ পৰা ৩৭ নং ঘাই পথলৈ দুৰত্ব যথেষ্ট হোৱা বাবে নানা আহুকালৰ সন্মুখীন হোৱা দেখা যায়।

যোগাযোগ ব্যৱস্থাৰ সা-সুবিধা বুলিলে কেৱল এখন উপ ডাকসেৱা কেন্দ্ৰৰ উপস্থিতিয়ে বৰ্তমানৰ ইণ্টাৰনেট বিশ্বত টিপ্‌লাইৰ পৰিচিতি।

চিকিৎসা সেৱাৰ সা-সুবিধাৰ ভিতৰত এখন মিনি পি. এইচ. চি., য'ত সততে কম্পাউণ্ডাৰ বা সম পৰ্য্যায়ৰ চিকিৎসকৰ সেৱাৰ ওপৰত গাঁওবাসী আৰু ওচৰ-চুবুৰীয়া নিৰ্ভৰশীল। বিশুদ্ধ খোৱা পানীয়ে সকলো গাঁওবাসীকে সামৰিব পৰা নাই।

সীমিত কৃষি উৎসৰ ভিতৰত এই গাঁৱত জলসিঞ্চনৰ কাৰ্যকৰী ব্যৱস্থা দেখা নাযায়। অৱশ্যে চিৰ প্ৰৱাহমান নদী বা জুৰি ওচৰত নথকাটো প্ৰকৃতিৰ কাৰ্পণ্য বুলি ক'ব পাৰি।

সেইদৰে শিক্ষাৰ সা-সুবিধা বুলিলে সৰ্বোচ্চ উচ্চতৰ কলা শ্ৰেণীলৈ পঢ়াৰ সুবিধা বিদ্যমান যদিও এখন গাঁও হিচাপে এইখিনিকে যথেষ্ট বুলি কব পাৰি। অৱশ্যে এই সীমিত শিক্ষাৰ সুবিধাবোৰ টিপ্‌লাই বাসীৰ নিজস্ব অহোপুৰুষাৰ্থৰ ফল।

কোনো অঞ্চলৰ আৰ্থিক বিকাশ ত্বৰান্বিত কৰাত বিত্তীয় প্ৰতিষ্ঠানৰ ভূমিকাও যথেষ্ট। বিত্তীয় প্ৰতিষ্ঠানৰ উপস্থিতিয়ে আন নহ'লেও কৃষি খণ্ড আৰু আন সৰু ব্যৱসায়ৰ বাবে অনুকূল পৰিৱেশৰ সৃষ্টি কৰিব পাৰে। টিপ্‌লাই গাঁওখনত সম্প্ৰতি কোনো স্বীকৃত বিত্তীয় প্ৰতিষ্ঠান নাই। ব্যৱসায়িক বেংক 'অসম গ্ৰামীণ বিকাশ বেংক'ৰ এটা শাখা কিছু বছৰ এই গাঁৱত কাৰ্যকৰী হৈ আছিল যদিও সাম্প্ৰতিক পৰিস্থিতিত আন গ্ৰামাঞ্চলৰদৰে টিপ্‌লাই গাঁৱো এই সুবিধাৰ পৰা বঞ্চিত হৈ পৰিছে। টিপ্‌লাই দৈনিক বজাৰ, সপ্তাহত দুদিনকৈ বহা টিপ্‌লাই সাপ্তাহিক বজাৰ আৰু নাইতাৰা-চৌতাৰা বিলক কেন্দ্ৰ কৰি সৃষ্টি হোৱা টিপ্‌লাই মাছ বজাৰ আৰু আন ব্যৱসায়ত যথেষ্ট টকা-পইচাৰ আদান-প্ৰদান হয় যদিও ইবোৰ কোনো বিত্তীয় প্ৰতিষ্ঠান গৰকিবলৈ সক্ষম নহয়। যাৰ বাবে সঞ্চয় প্ৰৱণতাও নিৰুৎসাহিত হয়।

শক্তিৰ উৎসৰ কথা যেনিবা কোৱাৰ প্ৰয়োজন নাই। কিয়নো সমগ্ৰ অসমত বিদ্যুতৰ নাটনি সৰ্বজন বিদিত। গ্ৰাম্য বৈদ্যুতিকৰণৰ অন্তৰ্ভুক্ত হ'লেও টিপ্‌লাইত ইয়াৰ কাৰ্যকাৰিতা সকলোৰে বোধগম্য।

উপৰি উক্ত বুনিয়াদসমূহৰ অভাৱ হেতু টিপ্‌লাই গাঁওখন আৰু ইয়াৰ ওচৰৰ গাঁওবোৰৰ অৰ্থ ব্যৱস্থা সম্পূৰ্ণ স্থবিৰ বুলি ক'ব পাৰি। অৰ্থ বিজ্ঞানত কথিত আছে যে "আৰ্থিক বিকাশ আৰ্থ-সামাজিক বুনিয়াদৰ ওপৰত নিৰ্ভৰশীল।" আৰ্থ-সামাজিক বুনিয়াদে উদ্যোগিক গতিশীলতাৰ সৃষ্টি কৰে আৰু এনে হ'লেহে ঠাই এখনৰ প্ৰগতি সম্ভৱ হয়। টিপ্‌লাই অঞ্চলত কেইবাটাও দিশত উদ্যোগিক গতিশীলতা সৃষ্টি কৰাৰ সম্ভাৱনীয়তা আছে যদিও কেৱল বুনিয়াদৰ অভাৱে টিপ্‌লাই আৰু ইয়াৰ ওচৰৰ গাঁওবোৰৰ অনগ্ৰসৰতাৰ প্ৰধান কাৰণ বুলি ঠাৱৰ কৰিব পাৰি। এই প্ৰসংগতে এটা কথা উনুকিয়াব পাৰি যে স্বাধীনোত্তৰ কালছোৱাতো ৰাজনৈতিক ক্ষমতা কেৱল ভোটদানতে সীমিত।

টিপ্‌লাই আৰু ইয়াৰ ওচৰৰ গাঁওবোৰৰ ঔদ্যোগিক সম্ভাৱনীয়তা সম্পৰ্কে কেইটিমান দিশত এই প্ৰসংগত আলোকপাত কৰিব পাৰি। এইবোৰ সম্ভাৱনীয়তা ওপৰত আলোচনা কৰা বুনিয়াদসমূহৰ ওপৰত নিৰ্ভৰশীল।

টিপ্‌লাইৰ পূব পিনে আটাইতকৈ গুৰুত্বপূৰ্ণ এটা প্ৰাকৃতিক সম্পদ প্ৰকৃতাৰ্থত অব্যৱহৃত হৈ আছে। সেইটো হ'ল নাইতাৰা-চৌতাৰা বিল। চৰকাৰী ভাল পৰিকল্পনা থাকিলে এইটো সংৰক্ষণ কৰি বৃহৎ মাত্ৰাত মৎস্য খেতি কৰা যায়। নতুন বৃহৎ আকাৰৰ স্বেচ্ছা সেৱী সংগঠন ৰূপত এই দিশত চিন্তা কৰিব পাৰি। উক্ত বিল সংৰক্ষিত হ'লে বিভিন্ন আত্ম সহায় গোটৰ সৃষ্টি কৰি উন্নত জাতৰ হাঁহ পালনৰ যোগে ওচৰৰ বজাৰত বাহিৰৰ পৰা অহা কণীৰ যোগান ৰোধ কৰিব পাৰি। বিলটো বিজ্ঞান সন্মতভাৱে সংৰক্ষণ কৰিব পাৰিলে চাৰিওফালে উদ্যানৰ সৃষ্টি কৰি পৰ্যটকৰ আকৰ্ষণৰ বাবে পক্ষী উদ্যানৰ সৃষ্টি কৰিব পাৰি। কিয়নো উক্ত বিলত প্ৰাকৃতিক কাৰণতে জৈৱ বৈচিত্ৰ থকাৰ উপৰিও পৰিভ্ৰমী চৰাইৰ আগমন ঘটে। এনে পদক্ষেপ গ্ৰহণৰ সময় উকলি যোৱা যেন লাগিলেও 'নৰ্ম্মদা বচাও' সদৃশ আন্দোলনৰ জন্ম দিব পাৰিলে নিশ্চয় কৃতকাৰ্য হোৱা সম্ভৱ। অৱশ্যে ইয়াৰ বাবে বিলৰ চৌকাষে থকা বাসিন্দাৰ সহযোগ নিতান্তই প্ৰয়োজনীয়।

কৃষি জমিৰ পৰিমাণ সীমিত হ'লেও উপযুক্ত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিলে টিপ্‌লাইৰ উল্লিখিত দুয়ো পথাৰতে কাৰ্যকৰীভাৱে কৃষি উৎপাদন বৃদ্ধি

কৰা সম্ভৱ নিশ্চয় হ'ব। ইবোৰে আন কিছুমান পথো সুগম কৰিব বুলি বিশ্বাস কৰিব পাৰি।

তদুপৰি টিপ্‌লাইৰ দক্ষিণে থকা চিতলমাৰি, বনগাঁও, গণেশ পাহাৰ আদি যথেষ্ট সম্ভাৱনাপূৰ্ণ প্ৰাকৃতিক সম্পদেৰে ভৰা। সংশ্লিষ্ট চৰকাৰী বিভাগ অকৃতকাৰ্য হোৱা ক্ষণত আত্ম সহায়ক (স্বেচ্ছাসেৱী) গোট ৰূপত ইবোৰৰ সংৰক্ষণ আৰু পুনৰ জীৱন দান দিব পাৰিলে সংশ্লিষ্ট স্বেচ্ছাসেৱীসকল আন লোক সকলৰ পথ প্ৰদৰ্শক হ'ব পাৰিব। এনে কৰিলে তৎকালীন আৰ্থিক লাভ নাই বুলি কোনোবাই ক'ব পাৰে। কিন্তু আৰ্থিক লাভৰ বাবে উক্ত সম্পদবোৰ চৰকাৰৰ পৰা লীজত লোৱাৰ বাবে আন্দোলন গঢ়ি তুলিব পাৰি। যাৰ দ্বাৰা কিছু হ'লেও তৎকালীন আৰু অধিক পৰিমাণে দীৰ্ঘকালীন আৰ্থিক লাভৰ পথ নিশ্চয় প্ৰশস্ত হ'ব।

●●●

# এবাৰ গাঁৱলৈ ব'লক

যোৱা ২০০০ চনৰ ১৯ মে'ত 'আমাৰ অসম'ত প্ৰকাশিত সুনীতা চাংকাকতিৰ এবাৰ গাঁৱলৈ ব'লক শীৰ্ষক নিবন্ধটিত শনিৰাম বড়ো, সুগ্ৰীম সিং বসুমতাৰী, বীণেশ্বৰী হ'তৰ গাঁওবোৰৰ চিত্ৰায়ন কেৱল সেইকেইখন গাঁৱৰে নহয়। ই সমগ্ৰ অসমৰে বহুতো গাঁৱৰ হুবহু প্ৰতিচ্ছৱি। জিলা আৰু মহকুমা সদৰ সংলগ্ন ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পথেৰে বাছ বা ভি আই পি গাড়ীত আহ-যাহ কৰিলে সৰহসংখ্যক ভিতৰুৱা গাঁৱৰ কদৰ্য ৰূপ অলক্ষিত হৈ ৰয়। নিৱন্ধকাৰে এইবোৰ গাঁৱত চাকিৰ পোহৰৰ দৰে হ'লেও বিজুলী লাইটৰ পোহৰ প্ৰত্যক্ষ কৰিছে। আমাৰ ওচৰে-পাজৰে এনে বহু গাঁও আছে, য'ত নিশা সদায় কৃষ্ণপক্ষৰ ৰাতিৰ দৰেই, লাইট বুলিবলৈ তাত বিদ্যুত খুঁটাও নাই।

হাঁহিমুখে কষ্ট কৰি কাম কৰি যোৱা গএগ্রালোক নিম্নতম সা-সুবিধাখিনিৰ পৰাও যুগ যুগ ধৰি বঞ্চিত হৈ আছে। গোৱালপাৰা-কামৰূপ সীমান্তৱৰ্ত্তী এলেকাত ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা দক্ষিণে বা উত্তৰে ৮/১০ কিঃমিঃ দূৰত্বৰ কোনো গাঁৱলৈ যাব খুজিলে, এই বাৰিষা বোকা-পানীৰ লগত এটি দিনৰ সংগ্ৰাম কৰিবলগীয়া হয়। গাড়ী-মটৰতো দূৰৰে কথা, চাইকেল আৰোহীও ১০ বাৰ উঠা-নমা কৰি চাইকেল কান্ধত লৈহে আগবাঢ়িব পাৰে।

ইণ্টাৰনেট ইনফৰমেশ্যন টেকন'লজীৰ হিমালয় সদৃশ উন্নতিৰ দিনতো এই গাঁওবোৰ জীৱন-ধাৰণৰ নিম্নতম সামাজিক সা-সুবিধাৰ পৰা বঞ্চিত। দৰিদ্ৰতা কেৱল এচাম মানুহৰ একাডেমিক আলোচনাৰ বিষয়বস্তু হোৱাৰ বিপৰীতে এইবোৰ গএগ্রাই ইয়াৰ সংজ্ঞা বিচৰাৰ প্ৰয়োজন বোধ নকৰে, বৰং

ইয়াৰ ক্ষোভ আন ধৰণে নিৰ্গত হোৱাৰ পথ থাকি যায়। সামাজিক সা-সুবিধাৰ বাবে চৰকাৰী, উন্নয়ন আঁচনিৰ ধন এইসকলৰ ভাগত পৰে নে নাই, তাৰ লেখ-জোখ লোৱাৰ অৱকাশ নাই। নিম্নতম কৰণীয় সুবিধা থাকিলে তেওঁলোক কৰ্মযোগীৰ দৰে নিজতে ব্যস্ত থাকে আৰু যাৰ নাই চহৰ বা অৰ্ধ-চহৰলৈ ঢাপলি মেলে। কল্যাণমূলক, উন্নয়নমূলক চৰকাৰী আঁচনিৰ বক্তৃতাৰ ফুলজাৰিৰ কল্পনা ৰাজ্যত আশ্বস্ত হৈ আছে এইসকল গঞা, প্ৰতিটো গণতান্ত্ৰিক চৰকাৰৰ আমোলত।

বাস্তৱত এইবোৰৰ পৰশ তেওঁলোকৰ গাত পৰিছে নে নাই তাৰ হ'লে উপলব্ধি নাই। অসমত হাজাৰ হাজাৰ গাঁও আছে এতিয়াও, য'ত বিজুলী চাকিৰ পোহৰ পৰা নাই, য'ত খোৱাপানীৰ সুবিধা বুলিবলৈ পুখুৰী আৰু কেইটামান কেঁচা নাদ আছে, য'ত শিক্ষাৰ সুবিধা বুলিবলৈ বেৰ নথকা প্ৰাথমিক বিদ্যালয় আছে, য'ত স্বাস্থ্যসেৱাৰ সুবিধা বুলিবলৈ এতিয়াও ঘৰুৱা বেজ গিজগিজাই ঘূৰি ফুৰে। এনে ছবি অসমৰ সৰ্বত্ৰ দেখা যায়, যদিহে কোনো চহৰ বা অৰ্ধ-চহৰৰ পৰা কিছু দূৰত্বলৈ যোৱা যায়। আধুনিক শিক্ষাৰে শিক্ষিত গাঁৱৰ ল'ৰা চাকৰি সূত্ৰে চহৰমুখী হৈ গাঁওবোৰ এৰাবাৰী কৰাৰ প্ৰৱণতা স্বাভাৱিক। প্ৰয়োজনতহে জন-প্ৰবাহ গাঁৱৰ পৰা চহৰমুখী হয়। সেই বুলি গাঁওকেন্দ্ৰিক দেশখনৰ উন্নতিৰ সামগ্ৰিক প্ৰচেষ্টাত তেওঁলোকেও অংশীদাৰ হোৱাৰ দায়বদ্ধতা নথকা নহয়। সেইবাবে হয়তো ড° চাংকাকতিৰ আহ্বান— এবাৰ গাঁৱলৈ যাবলৈ।

নিবন্ধকাৰৰ প্ৰসঙ্গতে আমি যোগ দিব খোজা কথাখিনি হ'ল যে গান্ধীৰ দেশৰ গাওঁবোৰৰ উন্নতি চৰকাৰী সুদীৰ্ঘ ৫৫ বছৰীয়া প্ৰচেষ্টাতো তথৈবচ। ঘূণে ধৰা আমোলাতান্ত্ৰিক ব্যৱস্থাৰে নতুন কিবা হ'ব বুলিও আশা কৰা নাযায়। যিখন দেশৰ এগৰাকী প্ৰয়াত প্ৰধান মন্ত্ৰীয়ে মন্তব্য কৰিছিল যে উন্নয়নৰ বাবে ধাৰ্য কৰা ধনৰ ২০ শতাংশ প্ৰকৃততে খৰচ হ'লে দেশ বহু আগ বাঢ়িলহেঁতেন। এনে ক্ষেত্ৰত অকল চৰকাৰী প্ৰচেষ্টাৰ ওপৰতে ভৰসা কৰাতকৈ আমি নিজেও কিছু চিন্তা কৰিব লাগে নিজৰ পৰিৱৰ্তনৰ বাবে।

সেইবাবে হয়তো চৰকাৰেও এতিয়া স্বেচ্ছাসেৱী সংগঠনসমূহক দেশ গঢ়াৰ কামত উৎসাতি কৰাৰ প্ৰয়াস কৰিছে। সংবিধান সংশোধনৰ যোগেৰে

নতুন তিনি তৰপীয়া পঞ্চায়তীৰাজ ব্যৱস্থা প্ৰৱৰ্তনেৰে গঞাকো উন্নয়নমূলক কামৰ ভাগীদাৰ কৰিব খুজিছে। অৱশ্যে অসমৰ দুৰ্ভাগ্য যে বহুদিনৰ পৰাই পঞ্চায়ত নিৰ্বাচন নোহোৱা বাবে বহু হেৰুৱাব লগীয়া হৈছে। স্বেচ্ছসেৱী সংগঠন, আত্ম-সহায় দলৰ (Self Help Group) যোগেৰে নিজৰ উন্নতি নিজে কৰিব খোজাৰ প্ৰচেষ্টা সঁচাকৈয়ে আদৰণীয় আৰু প্ৰশংসনীয়।

এনে সংগঠনৰ যোগেৰে বিভিন্ন ঠাইত পৰিৱৰ্তন অনা পৰিলক্ষিত হৈছে। নিবন্ধকাৰে যিটো অঞ্চলৰ কথা উল্লেখ কৰিছে তাতো নিশ্চয় পৰিৱৰ্তনৰ পথ প্ৰশস্ত হ'ব ধৰিছে। আমি বোধহয়, ইমানদিনে নিজে নিজৰ উন্নতিৰ বাবে ইচ্ছা কৰা নাছিলো— সেইবাবে হয়তো এনে অৱস্থা। আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম, সকলো আছিল... নুগুণো নলওঁ গম'.... এনে আৱেগিক পংক্তিয়ে বিকল্প পথসমূহ ৰুদ্ধহে কৰি ৰাখিব। নগৰ-মহানগৰৰ উন্নতি হওক। লগতে গাঁওসমূহৰো উন্নতিৰ পথ প্ৰশস্ত কৰক।

মহানগৰ সুউচ্চ অট্টালিকা, টকা উপাৰ্জনৰ নিচা, লাহ-বিলাস আৰু ক্ষমতাত মত্ত হৈয়ো নিজৰ সত্তা আৰু ভেটিটোক সুঁৱৰিবলৈ ব'লকচোন এবাৰ গাঁৱলৈ যাওঁ। সহজ-সৰল, মৰম আকলুৱা আৰু সংবেদনশীল গাঁৱৰ মানুহবোৰক নিজে নিজৰ উন্নতি কৰাৰ দিহা দিবলৈ সকলোৱে একেলগে চিন্তা কৰোঁ আহক।

●●●

# এটি ফ'বিয়াৰ অৱসান

এটা সময়ত অসমৰ প্ৰায়বোৰ গাঁৱতে বাপুজী পুথিভঁৰাল, যুৱক সংঘ পুথিভঁৰাল, শঙ্কৰদেৱ পুথিভঁৰাল আদি নামেৰে অকল নাম ফলকেৰেই নহয়, সুন্দৰ কাঠৰ ঘৰ, মেজ-চকী, বাদ্য-যন্ত্ৰ, যথেষ্টসংখ্যক কিতাপেৰে ঠাহ খাই থকা পুথিভঁৰাল দেখিছিলোঁ। সেইসময়ৰ কমসংখ্যক হ'লেও বিদ্যাৰ্থীসকল আৰু আধা ৰাস্তাতে পঢ়াশালি এৰি খেতিয়ক হোৱা গঞাই এই পুথিভঁৰালসমূহক পাঠক হৈ জীৱিত ৰাখিছিল। তৎকালিন সীমিত জ্ঞান আৰু গোটেই অসমখনৰ সকলো গাঁৱৰ সম্যক জ্ঞান নাথাকিলেও আমাৰ ওচৰ-পাঁজৰৰ গাঁওবোৰত এইবোৰৰ নমুনা জল্‌জল পট্ পট্‌কৈ দেখিছিলো। আজিৰ দৰে প্ৰচাৰ মাধ্যমসমূহৰ জয়জয় ময়ময় অৱস্থা নাছিল, বৰং ঘাইপথৰ পৰা বিচ্ছিন্ন এই গাঁওবোৰৰ পুথিভঁৰালবোৰত জ্ঞান গৰিমাৰ জয়ঢোল বাজিছিল। শিক্ষা প্ৰতিষ্ঠানৰ অভাৱ যেন এই পুথিভঁৰালসমূহেই পুৰণ কৰিছিল। বিদ্যালয়সমূহৰ ডেওনা পাৰ নোহোৱা নাইবা কোনোৰকম দুই-এদিন বিদ্যালয়ত ভৰি দিয়া চহাই প্ৰসংগক্ৰমে আজিৰ মানুহ, আচল মানুহ, ভাৰাঘৰ, অঘৰী আত্মাৰ কাহিনী, সাৰথি, জঙ্কি-পানেই, ৰসৰাজ, বিষ্ণু-জ্যোতিৰ কথাৰে গধুলিৰ আড্ডা মৰা পৰিৱেশটো ক্ৰমাগত পুথিভঁৰালসমূহৰ ভগ্নাৱশেষৰ স'তে বিলীন হ'বলৈ ধৰে ঐতিহাসিক অসম আন্দোলনৰ অৱন্তণিৰ পৰা।

ঐতিহাসিক অসম আন্দোলনে এই শূন্যতাৰ চাৰিওফালে সিঁচৰিত ধুৱলী-কুঁৱলীৰে ঘন এন্ধাৰ কৰি তোলে সামগ্ৰিক পৰিৱেশ। এনে হতাশাময় পৰিস্থিতি আজি প্ৰায় ডেৰ কুৰি বছৰ জুৰি ছানি ধৰি আছে আমাৰ গ্ৰাম্য প্ৰধান সমাজখনক।

সাম্প্ৰতিক হতাশাময় পৰিস্থিতিৰ মাজতো বিক্ষিপ্ত দুই-এটা ঘটনাই আশাৰ বাৰ্তা বহন নকৰাকৈ থকা নাই।

সম্প্ৰতি বিশেষ কিছুমান সময়ত ব্যক্তিগতভাৱে আমি এটা ফ'বিয়াত ভুগি থাকো। এই ফ'বিয়া সমাগত হ'লে ভিজা মেকুৰীৰ দৰে থাকিও চঞ্চলা নিগনিৰ নিচিনা ভয়াৰ্তভাৱে ইফালে-সিফালে চাবলগীয়া হয়। বিভিন্ন উৎসৱৰ বতৰত এই ফ'বিয়া যাক চান্দা ফ'বিয়া বুলি ক'লেও ক'ব পাৰি। তাৰ উপৰি অইন সময়বোৰতো সংগঠনসমূহৰ শেন চকুৰ পৰা ভীত হৈ থাকি থাকি মেৰু বেঁকা হোৱা অৱস্থা। দলবদ্ধভাৱে যুৱক-যুৱতীৰ আগমন দেখিলে স্বাভাৱিকতে একাষৰীয়া হোৱাৰ ৰাস্তা বিচৰা হয়। চান্দা, আজিকালি দাতাৰ মতে নহয় দাবীদাৰৰ মতেহে নিৰুপণ হয়। তাৰ ঊনৈশ-বিশ হ'লে অবাঞ্ছিত পৰিস্থিতি আহি পৰে। কোনোবা ভুক্তভোগী নহ'লেও নিশ্চয় কোনো উৎসৱৰ আগে আগে গাড়ীত ভ্ৰমণ কৰা অভিজ্ঞতা আছে। গতিকে পৰিস্থিতি স্বয়ং পৰিস্ফুট।

চক খাই উঠিবলগীয়া যিটো ঘটনাৰ কথা ক'ব খোজা হৈছিল সেইটো যোৱা ২১ এপ্ৰিল তাৰিখৰ। চৰকাৰী বন্ধ হেতু ঘৰত থকাৰ সুবিধাতে শাকনিত ইটো-সিটো কৰি থাকোঁতে পুৱাৰ ভাগতে চান্দা প্ৰাৰ্থী দুটা দলক অসন্তুষ্টিৰে বিদায় দিলো। দুপৰীয়াৰ আহাৰান্তে বিছনাত বাগৰি দৈনিক খবৰ এখন চাই থাকোঁতে টোপনিয়ে হেঁচা মাৰি ধৰাত তৰ্কিবই নোৱাৰিলো। ডাঙৰ ল'ৰাটোৰ মাতত সঁচকিত হ'লো।

তাৰ বয়স দহ বছৰ। কি কাণে কাণে ক'লে— পাঁচজন ছাত্ৰ-ছাত্ৰী লগ পাবলৈ আহিছে। অনিচ্ছা সত্ত্বেও মুখেৰে বিৰ্‌বিৰ্‌কৈ গালিৰ শব্দ উচ্চাৰণ কৰি, অবাঞ্ছিতৰ আগমন হ'লে যিটো হয় সেই গতিত ড্ৰইং ৰুমত প্ৰৱেশ কৰিলো। কিছু চিনাকি আৰু কিছু অচিনাকি মুখৰ যুৱক দুজন আৰু যুৱতী তিনিজনী থিয় হৈ সৌজন্যসূচক হাঁহিৰে শুইছিলো নেকি সুধিলে আৰু অসময়ত আহি আমনি দিয়া বাবে ক্ষমা খুজিলে। আমিও অস্বস্তি ভাবেৰে কৃত্ৰিম হাঁহি এটিৰে যি ক'ব লাগে ক'লো, আমাৰ চকু তেওঁলোকৰ হাতৰ পিনে। কিমান টকাৰ বা চান্দা ৰচিদ আনিছে? এই ভাবে আমাক ব্যতিব্যস্ত কৰি আছে। তৎমুহূৰ্ততে আমাৰ সকলো কৃত্ৰিমতাৰ অৱসান ঘটিল যেতিয়া আগমনৰ উদ্দেশ্য ব্যক্ত কৰাৰ লগতে

কেইখনমান উপহাৰ কুপন (লটাৰীৰ) আমাৰ হাতত দিলে।

উল্লেখিত ফ'বিয়াৰ বাবে সঁচাকৈয়ে আমি লজ্জিত হৈছিলো আৰু লগতে বহু ধৰণৰ নষ্টাল'জিয়াই আমাক ব্যথিত তথা আনন্দিত কৰিব ধৰিলে। আমি নিজে অৰ্থোপাৰ্জন কৰা দিনৰে পৰা আজিলৈ এনে যুৱক-যুৱতীৰ দল লগ পোৱা নাই যিয়ে উৎসৱৰ দিনত উৎসৱৰ চান্দাৰ সলনি কেইখনমান উপহাৰ কুপন লৈ ৮/৯ কিলোমিটাৰ দূৰলৈ আহিছে পুথিভঁৰালৰ সাহায্যাৰ্থে। 'ৰঙিলী পুথিভঁৰাল'ৰ সাহায্যাৰ্থে উপহাৰ কুপন কেইখনমান লৈ ক্ষান্ত নাথাকি ভৱিষ্যতে সামৰ্থ্য অনুযায়ী কিছু কিতা পো কিনি দিয়াৰ আগ্ৰহ প্ৰকাশ কৰি আনন্দমনে তেওঁলোকক বিদায় দিলো। মনটো বৰ ফৰকাল লাগিল। ধোঁৱা আৰু ছাইৰ মাজতো কিছুসংখ্যক যুৱক-যুৱতীয়ে এতিয়াও যেন অধ্যয়ন কৰাৰ দুৰ্বাৰ হেঁপাহ পুহি আছে। সঁচাকৈয়ে, ই এপাচি শাকত এটা জালুক। নহয় নে বাৰু?

সম্প্ৰতি সদৌ অসম গ্ৰাম্য পুথিভঁৰাল সন্থা এটি কৰ্মক্ষম হৈ পুৰণি গৰিমা ঘূৰাই অনাৰ প্ৰচেষ্টা কৰি থকা বিষয়টো আমাৰ বাবে আশাৰ বতৰা কঢ়িয়াইছে। এই সংস্থাৰ প্ৰচেষ্টা আৰু চৰকাৰৰ সহযোগত গ্ৰাম্য পুথিভঁৰালসমূহ উজ্জীৱিত হৈ গাঁওতো পুনৰ পঢ়াৰ পৰিৱেশ ঘূৰাই আনিব পৰা যাব বুলি বিশ্বাস কৰিব পাৰি। অৱশ্যে পুথিভঁৰালসমূহ আধুনিকীকৰণ কৰাৰ ক্ষেত্ৰত বিশেষ মনোনিবেশ কৰাৰ প্ৰয়োজন নিশ্চয় আছে এইবোৰৰ গ্ৰহণযোগ্যতাৰ বাবে।

●●●

# পূবে হাঁহ পশ্চিমে বাঁহ

'পূবে হাঁহ পশ্চিমে বাঁহ' ডাকৰ বচনৰ উদ্ধৃতিৰে আপোনাৰ সম্পাদকীয়টো অতি সময়োপযোগী হৈছে। চিলনীয়ে যে প্ৰকৃততে কাণখন নিয়া নাই... এনে কথা অসমীয়াক সোঁৱৰাই দি পুনৰ আপুনি এটি নতুন অৰ্থবহ পথৰ সন্ধান দিছে। আজিৰ পৰা কিছুবছৰ আগলৈও আমাৰ অঞ্চলৰ গঞাই চাপা বেৰ, ৰাজহুৱা সকাম, বিয়া-সবাহ, তিথি-পৰ্বৰ চামিয়ানা আদিৰ বাবে লগা সকলোখিনি বাঁহ ওচৰৰ পাহাৰ বা জাৰণিৰ পৰা সংগ্ৰহ কৰিছিল। বাৰীৰ ভলুকা, জাতি, বিজুলী কেৱল ঘৰৰ আভ্যন্তৰিণ কামৰ বাবেহে কাটিছিল। অসমীয়াৰ জীৱন-ধাৰাত বাঁহৰ স্থান বৰ্ণনাতীত। বাঁহ খেতি এনে এক আশ্চৰ্যজনক খেতি যে ইয়াৰ বাবে কোনো উন্নত পদ্ধতি বা সাৰৰ প্ৰয়োজনতো নাইয়েই, বৰং ইয়াত কোনো বিশেষ কষ্ট কৰিবও নালাগে; আনকি হালো বাব নালাগে। অথচ, ইমান সহজলভ্য বস্তুবিধ যেন ক্ৰমাগতভাৱে কমি গৈ আছে। নগৰততো বাঁহ একোডাল ১৫০ টকা লাগেই গাঁৱতো একোডাল বিজুলী বাঁহৰ দামেই ৪০/৫০ টকা। কেৱল চিপ আৰু ছবিৰ বাবে অসমীয়াই ব্যৱহাৰ কৰা বাঁহ ট্ৰাকেৰে মুম্বাই, কলিকতালৈ যোৱা দেখিলে আমিবোৰ কেৱল তধা লাগি চাই থাকিবহে পাৰো। অথচ সেই বাঁহৰ পৰাই ক্ষুদ্ৰ ক্ষুদ্ৰ বস্তু তৈয়াৰ কৰি বৈদেশিক মুদ্ৰা পৰ্যন্ত অৰ্জন কৰা বুলি শুনিও গছত গৰু উঠা কথা যেন ভবাৰ অৱকাশ নিশ্চয় নাই। সমগ্ৰ বিশ্বৰ পাঁচ ভাগ বাঁহ আমিয়ে উৎপাদন কৰো, অথচ কোনো প্ৰচেষ্টা নোহোৱাকৈ।

বৰ্তমান উদং হৈ পৰা পাহাৰবোৰ, বৃক্ষহীন পতিত শালনি, জাৰিণবোৰত

বাঁহ খেতিয়েই উত্তম আৰু অন্তিম উপায়। কিয়নো হেৰোৱা ডাঠ শালনি, জাৰণি ঘূৰাই অনাটো নিশ্চয় দুৰ্বিষহ আৰু পৰ্বতত কাছকণী বিচৰাৰ দৰে হ'ব। আমাৰ চকুৰ আগতে চৰকাৰী সংৰক্ষিত বনাঞ্চলসমূহ অতন্দ্ৰ-প্ৰহৰী থাকোতেও উলঙ্গ হৈ আছে। কিছু বছৰৰ পৰা আমাৰ ওচৰে-পাঁজৰে তহিলং হোৱা বনাঞ্চল ছেগা-চোৰোকাকৈ ব্যক্তিগত ৰাইজৰ সংঘবদ্ধ উদ্যোগত সংৰক্ষণৰ প্ৰচেষ্টা অব্যাহত আছে আৰু ই শুভ লক্ষণ যদিও কেতিয়া কোন কৰ্তৃপক্ষৰ অদূৰদৰ্শিতাৰ বলি হ'ব তাৰ নিশ্চয়তা নাই। কাৰণ এইবোৰ কোনো লীজ বা বন্দবস্তিত লোৱা বনাঞ্চল নহয়। আনহাতে, এইবোৰ শালনি-জাৰণিক আগৰ অৱস্থা পোৱাবলৈ প্ৰয়োজন কমেও ৩০/৩৫ বছৰৰ দীৰ্ঘ পৰিক্ৰমা। বৰ্তমান তহিলং হোৱা বনাঞ্চলৰ কিছুমান (বনৰীয়া) ককোঁৱা, নল, তাৰাই (তৰ্জাৰ বাঁহ) বাঁহেৰে আবৃত্ত হৈ আছিল। কাঁলৰ গতিত এইবোৰো মূৰ দাঙি উঠিব নোৱৰা হৈ আছে। চৰকাৰে চিন্তা-ভাৱনা কৰি আছে বাঁহ খেতিৰ বাবে। কথাটো যদি সঁচাই কাৰ্যত ৰূপ দিয়া হয় তেন্তে বৰ ভাল পদক্ষেপ হ'ব। লগতে ৰাইজকো বাঁহ খেতিৰ বাবে আন্দোলিত কৰিব পাৰিলে আপুনি কোৱাৰ দৰে এক গুলীত দুই চিকাৰ হোৱাৰ উপৰিও অসমীয়াৰ বাঁহক কেন্দ্ৰ কৰি চলি অহা পৰম্পৰাবোৰো বিপদমুক্ত হ'ব। বাঁহ হেনো অসমীয়াৰ সহোদৰ ভাই— ই মৰিলেও লগতে যায়। ইয়াৰ খেতি ব্যৱসায়িক ভিত্তিত কৰিব পাৰিলে ই অসমীয়াক চহকী কৰিও তুলিব। বাঁহৰ মূঢ়া পুতিলেই ই নুফুলালৈ (দৈৱক্ৰমে) যুগে যুগে উৎপাদন দি থাকিব পাৰে।

●●●

# উন্নতিৰ মন্ত্ৰ

যোৱা ফেব্ৰুৱাৰিৰ 'আমাৰ অসম'ৰ উন্নতিৰ মন্ত্ৰ শিৰোনামাৰে আপোনাৰ সম্পাদকীয়টো সময়োপযোগী হৈছে। যুক্তিনিষ্ঠ আৰু তথ্য সম্বলিত সম্পাদকীয়টো পঢ়ি আমাৰ মনত উদ্ৰেক হোৱা কেইটামান কথা দাঙি ধৰাৰ প্ৰয়াস কৰিছো। সম্প্ৰতি আমাৰ কেউকাষে ছানি ধৰা চাৰিত্ৰিক, নৈতিক অৱক্ষয়ৰ সন্মুখত শিক্ষা আৰু প্ৰযুক্তিবিদ্যা হিমালয় সদৃশ উন্নত হ'লেও আৰ্থিক উন্নতি যে সুদূৰ পৰাহত এইটো ধ্ৰুৱপ। আমাৰ সাম্প্ৰতিক শিক্ষা প্ৰকৃত মূল্যবোধৰ পৰিপূৰক নহয়, বৰং কিছুমান (সকলো নহয়) চতুৰ কৰাপৃশ্যন কাৰীৰহে জন্মদাতা যেন ভাব হয়। মূল্যবোধৰ স্খলন সম্ভৱতঃ অধিক দ্ৰুততৰ হ'ব ধৰে সত্তৰৰ দশকৰ শেষৰ পিনে আৰু আশী দশকৰ আৰম্ভণিত পত্ৰলেখক ভিতৰ গাঁৱৰ পৰা চহৰৰ ডাঙৰ মহাবিদ্যালয়ৰ ছাত্ৰাবাসত বন্ধুবৰ্গৰ আড্ডা আলোচনাত এইবোৰৰ নমুনাৰ চাক্ষুষ সাক্ষী। কোন চাকৰিত কিমান বাহিৰা পইচা, কোন চাকৰি গ্লেমাৰাছ ইত্যাদি ধৰণৰ আলোচনাত প্ৰায় ছাত্ৰ-বন্ধুই উজান দিয়া মনত পৰে। সেই প্ৰজন্ম এতিয়া পুৰোধা আৰু সমাজৰ একো একোজন হৰ্তা-কৰ্তা। বৰ্তমান সমাজ অৱমূল্যায়িত কৰাত নিশ্চয় সেইসকলৰো বলিষ্ঠ অৰিহণা আছে।

আনকি সাম্প্ৰতিক ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতীও ততোধিকভাৱে ভোগবাদী, বিলাসী, দিবাস্বপ্নত বিভোৰ। এনে মূল্যবোধৰ আনটো পিঠি বৰ্তমান শিক্ষা। মহাবিদ্যালয়ত চৰ্তসাপেক্ষ প্ৰতিদান বিধি পঢ়ি নাইবা ৰাষ্ট্ৰপতিৰ নিৰ্বাচন পদ্ধতি মুখস্থ কৰি এ চি এছ বিষয়া হোৱাৰ স্বপ্ন চাই লক্ষ লক্ষ টকা যোগাৰ কৰি ৰঙীন টি ভি, গাড়ী-বাৰী, ফ্ৰীজৰ ব্যৱস্থা কৰিবলৈ হ'লে ঠগ, প্ৰবঞ্চক, স্মাগলাৰ নাইবা উগ্ৰপন্থীক সহায়ৰ হাত আগবঢ়াবই লাগিব। টকা-পইচা দি

কোনো উন্নয়ন বিভাগত কেৰাণী চাকৰি যোগাৰ কৰিব পাৰিলেও যেনিবা এক উচ্চ মানবিশিষ্ট জীৱন ধাৰণ কৰিব পাৰি। এনে ভাৱাদৰ্শই বৰ্তমান বিৰাজমান আৰু ই বৰ্তমান শিক্ষা-ব্যৱস্থাৰে ফল। গোৰৱত নিশ্চয় গুবৰুৱাহে জন্মে আৰু প্ৰতিপালিত হয়। আমাৰো বাৰু তেনে হৈছে নেকি?

চৰকাৰী কোনো বিভাগতে বিনা পইচাত কাগজ-ফাইল লৰচৰ নকৰে বুলি অসমৰ সৰ্বত্ৰে সকলোৰে বদ্ধমূল ধাৰণা। এইটো অসত্যও নহয় আৰু যাৰ কাম থাকে বিনা বাক্যে তাক স্বাভাৱিক বুলি মানি লয়। নহ'লে কেনে মেৰপেচত পৰিব লগা হয় তাক ভুক্তভোগীয়ে ভালদৰে জানে। সংশ্লিষ্ট বিষয়া কৰ্মচাৰীক সন্তুষ্ট নকৰিলে কৃষকে চৰকাৰী আঁচনিৰ ভুকে নাপাব। স্বাভাৱিকভাৱে প্ৰাপ্যখিনি খুজি লৈহে ৰাজকোষ বিষয়া-কৰ্মচাৰীয়ে শিক্ষকৰ দৰমহা পোৱাৰ ব্যৱস্থা কৰে। প্লেন বা ক'লা-ফলি আঁচনিৰ শিক্ষক হ'লেতো দুগুণ চ'ৰা। বেংক বিষয়া সন্তুষ্ট হ'লেহে কৃষি ঋণ বা তেনে সুবিধা নাগৰিকে পায়। ব্যক্তিগত কোঠা বা ব্যৱসায়িক নাৰ্ছিং হোমতহে চিকিৎসকে ৰোগী ভালদৰে চায়। ঘৰুৱা শিক্ষকতাতহে শিক্ষকৰ প্ৰকৃত জ্ঞানদান হয়। টকা পালেহে শান্তিৰক্ষক মফচলত যায়। ৬০:৪০ অনুপাতত মান্তি হ'লেহে ঠিকাদাৰে কাম পায়।

পৰীক্ষাগৃহত নিৰীক্ষকক অৱমাননা কৰি প্ৰশংসিত বীৰ-বীৰাঙ্গণাসকল দাদাগিৰিৰ আধুনিক হাথিয়াৰ যোগাৰ কৰিবলৈ ডকাইতি আৰু লুটমাৰেৰে ধূলিষ্যাত কৰিছে মূল্যবোধক। সুশিক্ষা আৰু প্ৰকৃত মূল্যবোধৰ প্ৰকৃত সংজ্ঞা হেৰোৱাৰ উপক্ৰম হৈ পৰিছে।

এনে এক সন্ধিক্ষণত জাপানীসকলৰ দহটা শ্লোগান অসমীয়াকো সোঁৱৰাই দিয়াৰ প্ৰচেষ্টা সঁচাকৈয়ে প্ৰশংসনীয়। সম্পাদক মহাশয়, অসমত এটা নতুন যুগৰ সূচনা কৰিবলৈ আপুনি দিয়া (মন্ত্ৰ)ৰ কাম তিনিটাৰ পাৰ্শ্বক্ৰিয়া আছে। যেনে ধৰ্মঘট, আন্দোলন, অসম বন্ধ ইত্যাদি। গ্ৰীকসকলৰ দৰে ভাগ্যক বিশ্বাস কৰি এই মন্ত্ৰৰ লগে লগে এটি প্ৰাৰ্থনাও কৰা উচিত। অহা কুৰি বছৰৰ ভিতৰত ভগৱানে এনে প্ৰজন্মৰ অৱতাৰণা কৰক যি চৰিত্ৰবান কৰ্মঠ আৰু সঁচা অৰ্থত প্ৰকৃত দেশপ্ৰেমিক হ'ব।

●●●

# শিশু, নাৰী অধিকাৰ আৰু নবেল বঁটা

সমাজৰ পৰা অশান্তিৰ প্ৰধান কাৰকবোৰ হিংসা, যুদ্ধ-বিগ্ৰহ, মৰা-কটা, খিয়লা-খিয়লি, আৰ্থ-সামাজিক বঞ্চনা আদিবোৰ নাইকিয়া হ'লেও সঁচা অৰ্থত শান্তি স্থাপন হোৱা বুলি ক'ব পৰা নাযাব। মানুহ হিচাপে সকলোৰে বাবে নূন্যতম মানৱ অধিকাৰসমূহ সুৰক্ষিত আৰু নিশ্চিত কৰিব পাৰিলেহে পূৰ্ণ ৰূপত সমাজত শান্তি স্থাপন হ'ব। বৰ্তমানো সমগ্ৰ বিশ্বত বিশেষকৈ তৃতীয় বিশ্বৰ দেশসমূহত সমাজৰ এক বৃহৎ অংশ অধিকাৰ কৰি থকা শিশুসকল আৰু নাৰীসকল নানা প্ৰকাৰে নিস্পেষিত হৈ আছে। প্ৰচিলত সমাজ ব্যৱস্থাত এইসকল কেৱল শোষণ-নিষ্পেষণৰে বলি হৈ থকা নাই বৰং আন পণ্যৰ দৰে মানৱ সৰবৰাহৰ দ্বাৰা নিপীড়িত হৈ আছে। এই দুই প্ৰকাৰৰ মানৱ উৎপীড়ন নিৰ্মূল কৰিব পাৰিলেহে সমাজৰ প্ৰকৃত উন্নয়নৰ লগতে শান্তি প্ৰাপ্তিৰ স্তৰ উৰ্ধগামী হ'ব বুলি ক'ব পৰা যাব। নানা প্ৰত্যাহ্বান, আহুকাল আৰু জীৱন সংকটকো নেওচি শিশু আৰু নাৰী অধিকাৰ সুৰক্ষাৰ বাবে নিৰৱচ্ছিন্নভাৱে সংগ্ৰামত ব্ৰতী হৈ থকা দুগৰাকী ব্যক্তিক ২০১৪ বৰ্ষৰ শান্তিৰ নবেল বঁটা প্ৰদানে মানৱ অধিকাৰৰ এক অভিনৱ দিশৰ উন্মেষ ঘটাইছে।

সংসাৰত মানবতাতকৈ যে শ্ৰেষ্ঠ কোনো ধৰ্ম নাই এই কথা প্ৰমাণ কৰাৰ বাবে সমাজত যুগে যুগে নানা মনীষীৰ জন্ম হৈ আহিছে। ভোগ সৰ্বোচ্চ ধ্যান-ধাৰণাৰ উৰ্ধত গৈ প্ৰকৃত মানৱতাৰ ধ্বজাবাহী ক্ষণজন্মা মনীষী এছিয়া মহাদেশৰে চুবুৰীয়া দুই বৈৰী দেশ ক্ৰমে ভাৰতবৰ্ষ আৰু পাকিস্তানতেই বিদ্যমান। কৈলাশ সত্যাৰ্থী আৰু মালালা ইউচুফজাইক ২০১৪ বৰ্ষৰ সন্মানীয় শান্তিৰ নবেল বঁটা প্ৰদানে সমগ্ৰ বিশ্ববাসীক পুনৰবাৰ ভবাই তুলিলে যে এনে অঞ্চলতে মহাত্মা

গান্ধীৰ দৰে অহিংসাৰ ধ্বজাবাহীৰ জন্ম হৈছিল। এই দুগৰাকী মনীষীয়ে মানৱ অধিকাৰৰ প্ৰধান দুটা দিশ ক্ৰমে বঞ্চিত নিস্পেষিত শিশু শ্ৰমিকৰ মঙ্গলাৰ্থে আৰু নাৰী শিক্ষা অধিকাৰৰ সংগ্ৰামত হাতে-কামে জড়িত হৈ ত্যাগৰ অপৰিসীম নজিৰ দাঙি ধৰিলে। নবেল বঁটা প্ৰাপক দুয়োগৰাকী ব্যক্তিৰ সংক্ষিপ্ত কাৰ্যাৱলী আলোচনাৰ্থে এই নিৱন্ধৰ অৱতাৰণা কৰা হৈছে।

কৈলাস সত্যাৰ্থী ঃ ২০১৪ চনৰ শান্তি নবেল বঁটাৰে সন্মানীত কৈলাস সত্যাৰ্থীৰ জন্ম হয় ১৯৫৪ চনৰ ১১ জানুৱাৰিত মধ্য প্ৰদেশৰ বিদিশা জিলাৰ মপ্ৰ নামে ঠাইত। তেওঁৰ পিতৃৰ নাম ৰামপ্ৰসাদ শৰ্মা আৰু মাতৃৰ নাম চিৰজী বাঈ। বিদ্যালয় পৰ্যায়ৰ শিক্ষান্তত তেওঁ ইলেকট্ৰনিক বিভাগত ইঞ্জিনিয়াৰিং অধ্যয়ন কৰে। ইলেট্ৰনিক বিভাগৰ উচ্চ ডিগ্ৰীধাৰী সত্যাৰ্থীয়ে জীৱন-জীৱিকাৰ দৌৰত প্ৰতিযোগিতা কৰাৰ পৰিৱৰ্তে সমাজৰ বঞ্চিত-নিষ্পেষিত শিশু, শিশু-শ্ৰমিকসকলৰ মুক্তিৰ বাবে জীৱন জুৰি অহোপুৰুষাৰ্থ কৰি সমগ্ৰ বিশ্বত এক জীৱন্ত কিম্বদন্তী হৈ পৰিছে। উচ্চ শিক্ষা শেষ কৰাৰ পিছত তেওঁ ভুপালৰ এখন বিশ্ববিদ্যালয়ত অধ্যাপক হিচাপে কৰ্মত যোগ দিছিল। অধ্যাপনাত যেন তেওঁৰ মন নবহিল। হাজাৰ হাজাৰ বঞ্চিত নিষ্পেষিত আৰু শোষণৰ বলী হৈ থকা শিশু শ্ৰমিক সকলে যেন তেওঁক হাত বাউলি দি মাতি আছিল। শিশুসকলৰ বেদনাক্লিষ্ট মুখবোৰ আৰু তেওঁলোকৰ কৰুণ চাৱনিবোৰ তেওঁক সন্মানীয় অধ্যাপনাৰ নিচিনা বৃত্তিৰ পৰা আঁজুৰি আনিলে। ১৯৮০ চনত অধ্যাপনা বৃত্তি এৰাৰ পৰাই 'বচপন বচাও' অভিযানৰ মাজেৰে এটি দুটি নহয় প্ৰায় ৮৪ হাজাৰ শিশুৰ যেন তেওঁ জীৱন আৰু সংস্থাপন দাতা হৈ পৰিল।

শিশুকালৰ পৰা সমাজত দেখা পোৱা শিশু শ্ৰমিকসকলৰ বাবে কিবা কৰাৰ হাবিয়াসৰ বশৱৰ্তী হৈ কৈলাস সত্যাৰ্থীয়ে পোনতে এটা ফুটবল ক্লাৱ গঠন কৰে। ফুটবল ক্লাৱটোৰ জৰিয়তে আৰ্জিত পুঁজিৰে তেওঁ শিশু শ্ৰমিকসকলৰ শিক্ষা গ্ৰহণৰ বাবে লাগতিয়াল মাচুল আৰু কিতাপ-কাগজৰ যোগান ধৰিছিল। কিছু শিশুক শোষণৰ শিকলিৰ পৰা মুক্ত কৰি শিক্ষা গ্ৰহণৰ সুঁতিত আনিব পাৰি তেওঁ দুগুনে উৎসাহিত হয় আৰু অবিৰত ভাবে শ্ৰমিক শৃংখল তথা মানৱ সৰবৰাহৰ পৰা শিশুক মুক্ত কৰাত লাগি থাকে। এই কাৰ্যত ব্ৰতী হৈ তেওঁ

বহুতো প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ উপৰিও প্ৰত্যক্ষ শাৰীৰিক আক্ৰমণৰ বলী হ'বলগীয়া হয়। সকলোবোৰ কাৰ্য পৰিচালনাৰ পৰিক্ৰমাত তেওঁ সদায় প্ৰচাৰ বিমুখ হৈ থাকিব বিচাৰিছিল আৰু সংবাদ মাধ্যমৰ পৰা আঁতৰি ফুৰিছিল। তেওঁৰ এনে মানসিকতাই প্ৰতিপন্ন কৰিলে যে সঁচা অৰ্থত তেওঁ এজন সমাজসেৱী আৰু তাৰ ফলশ্ৰুতি হিচাপে তেওঁলৈ বিশ্ববাসীৰ এই স্বীকৃতি। শিশুৰ প্ৰকৃত অধিকাৰ সাব্যস্তৰ বাবে জীৱন জুৰি চলোৱা সংগ্ৰামত সমান্তৰালভাৱে 'বচপন বচাও', 'গুড ওৱেভ', 'বাল আশ্ৰম' আদি অভিযান অব্যাহত ৰাখি এই অভিযান এচিয়াৰ আন দেশবোৰলৈও তেওঁ সম্প্ৰসাৰিত কৰাৰ ব্যৱস্থা হাতত লৈছে।

শিশুৰ অধিকাৰ সাব্যস্ত কৰা আৰু তেওঁলোকৰ সুৰক্ষাৰ বাবেহে যেন এনে এগৰাকী মহীষীৰ জন্ম হৈছে এইখন ভাৰতবৰ্ষত যিয়ে কোনো পৰিস্থিতিত থমকি ৰোৱা নাই। এনেহেন ত্যাগ-সৰ্বোচ্চ কৰ্মৰাজিৰ বাবেই তেওঁ বিশ্বৰ সৰ্বোচ্চ সন্মান 'শান্তিৰ নবেল বঁটা'ৰ বাবে যোগ্য। তেওঁ আশা কৰে যে এনে এখন সমাজ গঢ়ি উঠক যিখন সমাজ শিশুসকলৰ বাবে অনুকূল।

মালালা ইউচুফজাই ঃ কৈলাস সত্যাৰ্থীৰ সমান্তৰালকৈ আমাৰ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানৰ এগৰাকী ষোড়ষীকো যুটীয়াভাৱে ২০১৪ বৰ্ষত সন্মানীয় শান্তিৰ নবেল বঁটাৰে বিভূষিত কৰা হৈছে। সত্যাৰ্থীয়ে প্ৰচাৰ মাধ্যমৰ পৰা আঁতৰি থকাৰ বিপৰীতে আৱশ্যম্ভবী পৰিস্থিতি হেতু এইগৰাকী নবেল বঁটা প্ৰাপক সংবাদ মাধ্যমত বিশেষ স্থান পায়। ভয়াবহ তালিবানীৰ অগ্নেয়াস্ত্ৰকো কেৰেপ নকৰি অবিৰতভাবে নাৰী শিক্ষা আৰু নাৰী অধিকাৰৰ সংগ্ৰামত ব্ৰতী হৈ থকা মালালা ইউচুফজাই সংবাদ শিৰোনাম দখল কৰা তেনেই স্বাভাৱিক। অকল তালিবানৰ ধমকিয়ে নহয় তেওঁলোকৰ দ্বাৰা প্ৰত্যক্ষভাবে আক্ৰান্ত হৈ মৃত্যুৰ দুৱাৰদলিৰ পৰা উভতি অহা মালালাই বিশ্ববাসীক আশ্চৰ্যচকিত কৰি তুলিছে। নাৰীৰ শিক্ষা অধিকাৰ সাব্যস্ত কৰাৰ ক্ষেত্ৰত আপোচহীন সংগ্ৰাম অব্যাহত ৰখা অটল-আত্মবিশ্বাসী, মেধা সম্পন্ন আৰু দৃঢ়মনা মালালাই হ'ল বিশ্বৰ কণিষ্ঠতম নবেল বঁটা বিজয়ী। নবেল বঁটা প্ৰাপক মালালা বিশেষভাৱে সংবাদ শিৰোনামত আহে ২০১২ চনৰ ৯ অক্টোবৰ তাৰিখে। নাৰী শিক্ষা আৰু অধিকাৰৰ বিৰুদ্ধাচৰণ কৰা তালিবানসকলৰ বন্দুকৰ গুলিয়ে সেইদিনা তেওঁৰ বাওঁ কপালেৰে মূৰ

ভেদিছিল।

১৯৯৭ চনৰ ১২ জুলাই তাৰিখে পাকিস্তানৰ স্বাত উপত্যকাত মিংগুৰাৰ পষ্টুন জনগোষ্ঠীৰ জিয়াউদ্দিন ইউচুফজাইৰ ঔৰষত আৰু টুৰপেকাই ইউচুফজাইৰ গৰ্ভত এইগৰাকী ব্যতিক্ৰমী দুসাহসিক ছোৱালী মালালা ইউচুফজাইৰ জন্ম হৈছিল। বিদ্যালয় জীৱনৰ ১২ বছৰ বয়সৰ পৰাই নাৰী শিক্ষা আৰু কন্যা শিশুৰ অধিকাৰ সাব্যস্তৰ বাবে সংগ্ৰাম চলাব ধৰা ছোৱালীজনী ২০১২ চনৰ ৯ অক্টোবৰৰ বৰ্বৰোচিত আক্ৰমণৰ পিছত জীয়াই থাকিব বুলি কোনেও বিশ্বাস কৰা নাছিল। কিন্তু কন্যা শিশু অধিকাৰৰ সবল সংগ্ৰামী এইগৰাকী কিশোৰীৰ ওচৰত যেন নিয়তিও সেও মানিলে। মূৰত গুলি লগাৰ পিচতো অত্যাধুনিক চিকিৎসাৰ বলত আৰু সমগ্ৰ বিশ্বৰ শুভাকাংক্ষীৰ আশিষত তেওঁ আৰোগ্য লাভ কৰে। মৃত্যুৰ দুৱাৰদলিৰ পৰা ঘূৰি অহা মালালাই যেন পৃথিৱীখনক নতুন ৰূপত দেখা পালে য'ত তেওঁ ১৬ সংখ্যক ওপজা দিনৰ আৰম্ভৰ দেখা পালে। ২০১৩ চনত আৰোগ্য লাভ কৰিয়ে তেওঁ ৰাষ্ট্ৰসংঘৰ নিচিনা অনুষ্ঠানত বিশ্বক উদ্দেশ্যি হৃদয়স্পৰ্শী ভাষণ প্ৰদান কৰিব পাৰিছে। তেওঁ কন্যা শিশু আৰু নাৰী অধিকাৰৰ সংগ্ৰাম অব্যাহত ৰখাৰ সমান্তৰালকৈ বাৰ্মিংহাম বিশ্ববিদ্যালয়ত ৰসায়ণ বিজ্ঞান অধ্যয়ন কৰি আছে। তেওঁৰ জীৱনৰ নিৰাপত্তাৰ প্ৰতি লক্ষ্য ৰাখি সমগ্ৰ বিশ্ববাসীৰ বিভিন্ন সংস্থাই বাৰ্মিংহামত থাকিয়েই অধ্যয়ন অব্যাহত ৰখাৰ কামনা কৰে। ইয়ে প্ৰমাণ কৰে যে সমগ্ৰ বিশ্ববাসীয়ে যেন মালালাৰ পক্ষত থিয় দিছে আৰু তেওঁৰ সুৰত সুৰ মিলাই নাৰী অধিকাৰ ৰক্ষাৰ সংকল্প গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ২০১৩ চনত মালালাৰ জন্মদিনটোতে ৰাষ্ট্ৰ সংঘৰ মজিয়াত উদাত্ত ভাষণ প্ৰদানকাৰী কণিষ্ঠতম কিশোৰী হিচাপে পৰিগণিত হোৱা দিনটো 'মালালা দিৱস' হিচাপে ঘোষণা কৰা হৈছে। সম্প্ৰতি বাৰ্মিংহামত অধ্যয়নৰত কিশোৰীগৰাকী জীৱনৰ কেৱল ১৭ টা বসন্তহে অতিক্ৰম কৰিছে। এনে কম বয়সীয়া ছোৱালী এজনীৰ কৰ্মকাণ্ডই বিশ্ব জনগণৰ স্বীকৃতি পোৱাই নহয় ইয়ে যেন তালিবানৰ বুলেটকো প্ৰতিহত কৰাৰ বাবে যথেষ্ট। কিতাপৰ পোক এইগৰাকী কিশোৰীৰ জ্ঞান আৰু চিন্তা-চৰ্চা অতি পৰিপক্ক।

২০১৪ চনৰ শান্তিৰ নবেল বঁটা ঘোষণাৰ দিনাও শ্ৰেণীত ব্যস্ত থকা মালালাই কৰ্মদিন শেষ হোৱাতহে তেওঁৰ প্ৰথম প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। তেওঁৰ প্ৰথম প্ৰতিক্ৰিয়াৰ উক্তিসমূহে জ্ঞান আৰু চিন্তাৰ পৰিপক্কতাৰ পৰিচয় দাঙি ধৰে। শ্ৰেণী চলি থাকোঁতে শিক্ষকৰ মুখেৰে নবেল বঁটা পোৱাৰ খবৰ পায় যদিও মলালাই পাঠ গ্ৰহণতহে ব্যস্ত থাকিছিল। শ্ৰেণীসমূহ শেষ হোৱাৰ পিছত তেওঁৰ সতীৰ্থ সকলৰ আগত প্ৰথম প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয়- "শিক্ষাৰ প্ৰসাৰৰ হকে কাম কৰি থকা সহস্ৰ শিশু আৰু যুৱক-যুৱতীক মোৰ বঁটা প্ৰাপ্তিৰ খবৰে আশাৰ ৰেঙণি দেখুৱাব বুলি মোৰ বিশ্বাস। কেতিয়াবা আমি ভাবোঁ যে আমি শিশু বা কিশোৰ-কিশোৰী বাবেই আমাৰ কামৰ কোনো প্ৰভাৱ সমাজত নপৰে। মোৰ এই বঁটা প্ৰাপ্তিয়ে প্ৰমাণ কৰিলে যে আমাৰ দৰে শিশু, কিশোৰ-কিশোৰীৰ কামৰো সমাজত প্ৰভাৱ পৰে আৰু মহৎ পৰিবৰ্তনৰ সূচনা কৰিব পাৰে।" শিশু আৰু নাৰী শিক্ষা আৰু অধিকাৰ সংগ্ৰাম অব্যাহত ৰখাৰ বাবে ই এক বিশ্বজনীন বাণী।

•••